‘ লাচিত বৰফুকন আৰু মোগলৰ অসম আক্ৰমণ’ আলোচনা চক্ৰৰ প্ৰতিবেদন :

তাৰিখ : ২৪ নৱেম্বৰ ২০২২ ইং চন ।

স্থান : অসমীয়া বিভাগৰ শ্ৰেণীকক্ষ ।







আজি ২৪ নৱেম্বৰৰ দিনা ‘লাচিত দিৱস’ উপলক্ষে শালবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষৰ সহযোগত এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। আলোচনা চক্ৰৰ বিষয় “লাচিত বৰফুকন আৰু মোগলৰ অসম আক্ৰমণ”। আলোচনা চক্ৰখন সঞ্চালন কৰে অসমীয়া বিভাগৰ মুৰব্বী নিতুমনি দাসে । লাচিত বৰফুকনে নিজৰ অধ্যৱসায়, সাহস, সততা, কৰ্মনিষ্ঠতাৰ ফলত অসম খন মোগলৰ আক্ৰমণৰ পৰা কিদৰে মুক্ত কৰিছিল সেই বিষয়ে গৱেষণা পত্ৰ পাঠ কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা নৰ্মদা বসুমতাৰীয়ে । এই আলোচনা চক্ৰ খনৰ লগত সংগতি ৰাখি ছাত্ৰ বচিত্ত বসুমতাৰীয়ে এটি কবিতা আবৃত্তি কৰে ।

আলোচনা চক্ৰৰ ফলাফল : এই আলোচনা চক্ৰ খনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে লাচিত বৰফুকনৰ জীৱনৰ বিষয়ে এক সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হয় । ১৬৬৯ খ্ৰী:ৰ ফেব্ৰুৱাৰীত অসম আক্ৰমন কৰিবলৈ ৰামসিংহৰ নেতৃত্বত মোগল সৈন্য বাহিনী অসমলৈ আগমন ঘটে আৰু ১৬৭১ খ্ৰী: ৰ মাৰ্চ মাহত শৰাইঘাটত মোগল আৰু আহোম সেনাৰ মাজত যুদ্ধ হয় । এই যুদ্ধ খনত সেনাপতি লাচিত বৰফুকনে বিচক্ষণতাৰে যুঁজি কিদৰে অসম আৰু অসমীয়াক মোগলৰ কবলৰ পৰা ৰক্ষা কৰিছিল সেই বিষয়ে আলোচনা চক্ৰ খনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকল অৱগত হয় । আলোচনা চক্ৰ খনৰ শেষত শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানটিৰ সামৰণি মাৰে ড০ হৰিশ দাসে ।

Salbari College, Salbari * Estd.1983 * Baksa.BTR,Assam

Principal
Salbari College, Salbari, Baksa